**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১।	পাকিস্তানৰ সৈতে থকা নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত থকা বাৰামুলাৰ পৰা ভূজলৈকে প্ৰায় ২৬টা স্থানত ড্ৰোন প্ৰত্যক্ষ কৰা গৈছে।

২।	পাকিস্তানে বৃহস্পতিবাৰে পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ  জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্ৰিকলৈকে সম্পূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬ খন স্থানত গুৰু কামান আৰু প্ৰায় ৪০০টা ড্ৰোনেৰে আক্ৰমণ চলায়।

৩।	ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি- আই এম এফৰ পৰিষদীয় বৈঠকত ভোটদান কৰাৰ পৰা বিৰত থাকে।

৪।	ভাৰতীয় বিমান প্ৰাধিকৰণে সকলো অসামৰিক বিমান সঞ্চালনৰ বাবে অহা ১৪ মে'লৈ উত্তৰ  আৰু পশ্চিম ভাৰতৰ ৩২টা বিমানবন্দৰ সাময়িকভাৱে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে।	*আৰু*

৫।	অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ছাফ চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনূৰ্ধৰ খেলত ভাৰতীয় পুৰুষ দলে শ্ৰীলংকাক ৮-০ গলৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

পাকিস্তানৰ সৈতে থকা নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত থকা বাৰামুলাৰ পৰা ভূজলৈকে প্ৰায় ২৬টা স্থানত ড্ৰোন প্ৰত্যক্ষ কৰা গৈছে। এই ড্ৰোনসমূহৰ ভিতৰত অসামৰিক তথা সামৰিক ঘাটিৰ বাবে ভাবুকি সৃষ্টি কৰিব পৰা ড্ৰোনো আছে। প্ৰতিৰক্ষা সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি বাৰামুল্লা, শ্ৰীনগৰ, অৱন্তিপুৰ, নাগৰোটা, জম্মু, ফিৰোজপুৰ, পাঠানকোট, ফাজিল্কা, লালগড় জট্টা, জয়ছলমেৰ, বাড়মেৰ, ভূজ, কোৱাৰবেট আৰু লখীনালা আদি অঞ্চলত এই ড্ৰোনসমূহ প্ৰত্যক্ষ কৰা হৈছে। শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সশস্ত্ৰ বাহিনীসমূহ সম্পূৰ্ণ সক্ষম হৈ আছে আৰু গতিশীল তথা ভূমিভাগৰ পৰা নিক্ষেপ কৰা অস্ত্ৰপ্ৰণালীৰ জৰিয়তে পাকিস্তানৰ ড্ৰোনসমূহ প্ৰতিহত আৰু ধ্বংস কৰি আহিছে। পৰিস্থিতি সন্দৰ্ভত চোকা দৃষ্টি ৰখা হৈছে আৰু প্ৰয়োজন সাপেক্ষে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সীমান্ত অঞ্চলত থকা অসামৰিক লোকসকলক প্ৰয়োজন নহ'লে ঘৰৰ ভিতৰতে থাকিবলৈ স্থানীয় প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে লগতে ভীতিগ্ৰস্ত নহ'বলৈ আৰু সক্ষম তথা সতৰ্ক হৈ থাকিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। আমাৰ সংবাদদাতাই জনাইছে যে ফিৰোজপুৰ, অমৃতসৰ আৰু পাঠানকোটকে ধৰি পঞ্জাবৰ সীমান্তৱৰ্তী জিলাসমূহত সশস্ত্ৰ ড্ৰোনেৰে আক্ৰমণৰ প্ৰচেষ্টা চলোৱা হৈছিল যদিও প্ৰতিৰক্ষা বাহিনীসমূহে পাকিস্তানৰ এই প্ৰচেষ্টাক সম্পূৰ্ণৰূপে ব্যৰ্থ কৰে।

০০০০০

পাকিস্তানে বৃহস্পতিবাৰে পুৱতি নিশাৰে পৰা দেশৰ পশ্চিম অংশৰ  জম্মু আৰু কাশ্মীৰৰ লে'হৰ পৰা গুজৰাটৰ চাৰ ক্ৰিকলৈকে সম্পূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৩৬ খন স্থানত গুৰু কামান আৰু প্ৰায় ৪০০টা

ড্ৰোনেৰে আক্ৰমণ চলায়। ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে ইয়াৰে বহুকেইটা ড্ৰোন ধ্বংস কৰিবলৈ সমৰ্থ হয়। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা বিশেষ কথা বতৰাত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ কৰ্ণেল ছোফিয়া কুৰেছিয়ে কয়, যে পাকিস্তানী সেনাই সামৰিক আন্তঃগাঁথনিক লক্ষ্য কৰি সমগ্ৰ পশ্চিম সীমান্তত কেইবাবাৰো ভাৰতীয় বায়ুসীমা উলংঘা কৰিছে। তেওঁ লগতে কয়, যে অকল এয়াই নহয়, নিয়ন্ত্ৰণ ৰেখাতো পাকিস্তানে শক্তিশালী অস্ত্ৰ-শস্ত্ৰৰে আক্ৰমণ কৰিছে। তেওঁ লগতে কয়, যে পাকিস্তানৰ ফালৰ পৰা একেৰাহে কৰা এই আক্ৰমণৰ উদ্দেশ্য হৈছে ভাৰতৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী পৰীক্ষা কৰা চোৰাংচোৱা তথ্য সংগ্ৰহ কৰা। এই ড্ৰোনসমূহৰ ফৰেনচিক পৰীক্ষা কৰি থকা হৈছে আৰু প্ৰাৰম্ভিক তথ্য অনুসৰি সেইসমূহ তুৰস্কত তৈয়াৰ কৰা ড্ৰোন বুলি ঠাৰৰ কৰা হৈছে। উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে পাকিস্তানী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতীয়ে সেনাইও পাকিস্তানৰ চাৰিটাকৈ বায়ু প্ৰতিৰক্ষা স্থানত ড্ৰোনেৰে আক্ৰমণ কৰে আৰু ইয়াৰে এটা ড্ৰোনে দেশখনৰ এ ডি ৰেডাৰ ধ্বংস কৰিবলৈ সমৰ্থ হয়। তেওঁ কয়, যে পাকিস্তানে টোপ আৰু শক্তিশালী অস্ত্ৰ-শস্ত্ৰৰে নিয়ন্ত্ৰণ ৰেখাত কেইবাবাৰো আক্ৰমণ চলাই আৰু এই আক্ৰমণত সেনাবাহিনীৰ কেইবাগৰাকীও জোৱান হতাহত হৈছে। তেওঁ কয়, যে ভাৰতৰ প্ৰত্যুত্তৰত পাকিস্তানী সেনাৰো ব্যাপক ক্ষতি হৈছে। উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিস্থিতি সত্বেও পাকিস্তানে ইয়াৰ অসামৰিক বিমানসেৱা বন্ধ কৰা নাই। তেওঁ অসামৰিক বিমান সেৱাক ঢাল হিচাপে ব্যৱহাৰ কৰাৰ বাবে পাকিস্তানক সমালোচনা কৰে। সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয়, যে পাকিস্তানে এই আক্ৰমণৰ কথা অস্বীকাৰ কৰাটোৱে দেশখনৰ দুমুখীয়া স্থিতিৰ আন এটা উদাহৰণ। তেওঁ গুৰুদ্বাৰ আৰু মন্দিৰসমূহকে ধৰি উপাসনাস্থলীসমূহক লক্ষ্য কৰি কৰা আক্ৰমণৰ বাবে পাকিস্তানক সমালোচনা কৰি ইয়ে দেশখনক যিকোনো নিম্ন পৰ্যায়লৈ লৈ যোৱা বুলি অভিহিত কৰে। বহাৱলপুৰত জেইচ-ই-মহম্মদৰ মুখ্য কাৰ্যালয়ত কৰা আক্ৰমণ ৱালষ্ট্ৰিট জাৰ্নেলৰ সাংবাদিকৰ ডেনিয়েল পাৰ্লৰ নৃশংস হত্যাকাণ্ডৰ উৎকৃষ্ট প্ৰত্যুত্তৰ বুলি তেওঁ কয়।

সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি বিদেশ সচিবগৰাকীয়ে কয়, যে বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নানকানাচাহিব সংযোগী কাৰ্টাৰপুৰ কৰিড'ৰ সাময়িকভাৱে বন্ধ কৰা হৈছে। পাকিস্তানলৈ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বিত্তীয় পেকেজ সন্দৰ্ভত শ্ৰীমিশ্ৰীয়ে কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ বৈঠকত নিজৰ স্থিতি তথা শেহতীয়া ঘটনাৱলী দাঙি ধৰিব। তেওঁ কয়, যে এই ক্ষেত্ৰত আই এম এফৰ সদস্যসকলে অন্তিম তথা চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

ooooo

ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি- আই এম এফৰ পৰিষদীয় বৈঠকত ভোটদান কৰাৰ পৰা বিৰত থাকে। বৈঠকত পাকিস্তানৰ বাবে নতুন বিত্তীয় পেকেজ মুকলি কৰাৰ সন্দৰ্ভত আলোচনা কৰা হৈছিল। ভাৰতে পাকিস্তানৰ পূৰ্বৰ দুৰ্বল কাৰ্যকলাপৰ কথা উল্লেখ কৰি এইক্ষেত্ৰত আই এম এফৰ কাৰ্যসূচীৰ কাৰ্যকাৰিতাক লৈ উদ্বেগ প্ৰকাশ কৰে। ভাৰতে লগতে পাকিস্তানে এই পুঁজিৰ অব্যৱহাৰ কৰি সীমান্তৰ ইপাৰে সন্ত্ৰাসবাদী কাৰ্যত ইয়াক ব্যৱহাৰ কৰাৰ সম্ভাৱনাক লৈও চিন্তা ব্যক্ত কৰে। আই এম এফে কালি পাকিস্তানৰ বাবে ১০০ কোটি ডলাৰৰ বিস্তাৰিত পুঁজি কাৰ্যসূচীৰ পৰ্যালোচনা কৰে আৰু দেশখনক নতুনকৈ ১৩০ কোটি ডলাৰ ঋণ প্ৰদানৰ বিষয়তো বিবেচনা কৰে। বৈঠকত ভাৰতে নিজৰ বিবৃতিত কয়, যে সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপক নিৰন্তৰ উৎসাহিত কৰি অহাটোৱে বিশ্ব সম্প্ৰদায়লৈ ভয়ানক বাৰ্তা প্ৰেৰণ কৰাৰ লগতে পুঁজি যোগান ধৰা সংস্থাসমূহকো উদঙাই দিয়ে। পাকিস্তানে দীৰ্ঘ সময় ধৰি আই এম এফৰ

পৰা ঋণ লৈ আহিছে আৰু কোনো গুৰুত্বপূৰ্ণ ক্ষেত্ৰত এই পুঁজিৰ ব্যৱহাৰ কৰা হোৱা নাই। ২০১৯ চনৰ পৰা বিগত ৫ বছৰত দেশখনে ৪ বাৰকৈ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ পৰা ঋণ লৈছে বুলিও ভাৰতে বিবৃতিটোত প্ৰকাশ কৰে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে ভাৰতৰ এই বিবৃতি আৰু ভোটদানৰ পৰা ভাৰত বিৰত থকাৰ বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰে।

ooooo

ভাৰতীয় বিমান প্ৰাধিকৰণে সকলো অসামৰিক বিমান সঞ্চালনৰ বাবে অহা ১৪ মে'লৈ উত্তৰ আৰু পশ্চিম ভাৰতৰ ৩২টা বিমানবন্দৰ সাময়িকভাৱে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। গুৰুত্বপূৰ্ণ স্থানসমূহৰ ভিতৰত অমৃতসৰ, চণ্ডীগড়, জম্মু, শ্ৰীনগৰ, ভূজ, জামনগৰ, জয়চলমেৰ, পাঠানকোট আৰু আন কেইবাটাও স্থানৰ বিমানবন্দৰ আছে।

ইপিনে, দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে আজি পুনৰ স্বাভাৱিক সেৱা আৰম্ভ কৰিছে। অৱশ্যে পাকিস্তানৰ সৈতে সামৰিক উত্তেজনাৰ মাজতে সুৰক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীসকলৰ বাবে কিছু নিৰ্দেশনাও জাৰি কৰা হৈছে।

ooooo

ভাৰত আৰু পাকিস্তানৰ মাজত বৰ্ধিত উত্তেজনাৰ প্ৰতি লক্ষ্য ৰাখি গুজৰাট চৰকাৰে সীমান্ত অঞ্চলসমূহত স্বাস্থ্য সেৱা সুলভ কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান পৰ্যাপ্ত কৰা আৰু এইসমূহৰ মূল্য নিয়ন্ত্ৰণৰ বাবে কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে কালি নিশা ৰাজ্যিক জৰুৰীকালীন সঞ্চালন কেন্দ্ৰত এখন উচ্চস্তৰীয় বৈঠকত মিলিত হৈ সীমান্ত জিলাসমূহৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰে। পাকিস্তানৰ সৈতে ভূমি আৰু জলসীমাৰে সংযোগ হৈ থকা গুজৰাটেই একমাত্ৰ ৰাজ্য হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এই অঞ্চলটোত নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে কেইবালানিও পদক্ষেপ গ্ৰহণ কৰিছে। সকলোবোৰ গুৰুত্বপূৰ্ণ বন্দৰৰ লগতে সোমনাথ আৰু দ্বাৰকাধীশ মন্দিৰৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। ইয়াৰ লগতে ৰাজ্য চৰকাৰে বানচকান্থা, পাটান আৰু কচ্ছ আদি সীমান্তৱৰ্তী জিলাসমূহত ডেৰশৰো অধিৰ স্বাস্থ্য বিষয়া নিয়োগ কৰিছে। সম্ভাব্য জৰুৰীকালীন ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি ৰক্তদান শিবিৰৰ আয়োজন কৰিবলৈ ব্লাড বেংকসমূহক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ লগতে চৰকাৰে বিভিন্ন বিভাগ তথা কাৰ্যালয়ৰ কৰ্মচাৰীৰ সকলোবোৰ ছুটী বাতিল কৰিছে। কচ্ছ অভিমুখী কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰা হৈছে আৰু ৰাজ্যখনত থকা ৭টা বিমানবন্দৰ অহা ১৫ মে'পৰ্যন্ত বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মুম্বাইত বিভিন্ন সংস্থাৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ সামুদ্ৰিক প্ৰকল্পসমূহৰ যাৱতীয় দিশৰ বুজ লয় আৰু ব্যৱসায় স্বাভাৱিক হৈ থকাটো নিশ্চিত কৰিবৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীসোণোৱালে লগতে সামগ্ৰী পৰিবহণকাৰী জাহাজৰ নিয়মীয়া চলাচল সুনিশ্চিত কৰাৰ বাবে বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। বৈঠকত ভাৰতৰ জাহাজ পৰিবহণ নিগম, জৱাহৰলাল নেহৰু বন্দৰ প্ৰাধিকৰণ, ভাৰতীয় বন্দৰ, ৰে'ল আৰু ৰোপৱে নিগম লিমিটেড, জাহাজ পৰিবহণৰ সঞ্চালকপ্ৰধান আৰু মুম্বাই বন্দৰ প্ৰাধিকৰণকে ধৰি মন্ত্ৰালয়ৰ অধীনৰ মুখ্য সংস্থাসমূহে

অংশগ্ৰহণ কৰে। এই বৈঠকতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুজৰাটৰ লোথালত নিৰ্মীয়মান ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য প্ৰাংগনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে।

ooooo

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ছাফ চেম্পিয়নশ্বিপৰ ১৯ বছৰ অনূৰ্ধৰ খেলত ভাৰতীয় পুৰুষ দলে শ্ৰীলংকাক ৮-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। ডেনি মেইটেই হেট্ৰিক অৰ্জন কৰাৰ লগতে মহম্মদ আৰবাজ উমংগ দদুম আৰু অধিনায়ক ছিংগামায়ুম শ্বামীয়ে এটাকৈ গল দিয়ে। ভাৰতে অহা ১৩ মে'ত নেপালৰ বিৰুদ্ধে খেলিব। ইপিনে বাংলাদেশ আৰু মালদ্বীপৰ মাজত কালি অনুষ্ঠিত আন এখন খেলখন ২-২ গলত ড্ৰ হয়। ছাফ চেম্পিয়নশ্বিপত ছখন দেশে ভাগ লৈছে। গ্ৰুপ-এত বাংলাদেশ, ভূটান আৰু মালদ্বীপ থকাৰ বিপৰীতে গ্ৰুপ-বিত ভাৰত, শ্ৰীলংকা আৰু নেপাল আছে।

ooooo

সমাপ্ত